**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-12-2024
**Time :** 0755  Hrs

***Assamese Morning Bulletin***
**----------------------**

যোৰহাট আৰু মাজুলী সংযোগী দলংখনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰাৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সৈতে সঘনে যোগাযোগ স্থাপন কৰি আছে। কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিষয়টো সন্দৰ্ভত নতুন দিল্লীত পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ লগতে তেওঁৰ মন্ত্ৰালয়ৰ বিষয়ববীয়াৰ সৈতে আলোচনাত মিলিত হয়। এই অনুসৰি সম্প্ৰতি এই কাৰ্যত নিয়োজিত ঠিকাদাৰক সলনি কৰি নতুন ঠিকাদাৰ নিয়োগ কৰাৰ প্ৰক্ৰিয়া ক্ষিপ্ৰতাৰে আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কালি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীগাডকাৰীৰ সৈতে ৰাজ্যখনৰ কেইবাটাও পথ আৰু দলঙৰ প্ৰকল্প সম্পৰ্কে আলোচনা কৰে।

০০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ বিষয়ববীয়া নিৰ্বাচনৰ ভোটগ্ৰহণৰ আজি অন্তিম দিনা বিভিন্ন শাখা সাহিত্য সভাত ব্যস্ততা অব্যাহত আছে। যোৱা ২১ নৱেম্বৰৰ পৰা চলা ভোটদান প্ৰক্ৰিয়া শেষ হোৱাৰ পাছত কাইলৈ পুৱা ১০ বজাত বেলট বাকচ বন্ধ কৰা হ'ব। সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাই জানিবলৈ দিয়া অনুসৰি বেলট বাকচসমূহ বন্ধ কৰাৰ পাছত মেঘদূত ভৱনত ৰখা হ'ব। অহা ২৯ ডিচেম্বৰত ভোটগণনা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ নিৰ্বাচনৰ বাবে সভাপতি পদত ড০ বসন্ত কুমাৰ গোস্বামী আৰু ড০ উপেন ৰাভা হাকাচাম, উপ-সভাপতি পদত পদুম ৰাজখোৱা, ডা০ বিপিন কলিতা, ছহিৰ ভূঞা আৰু প্ৰধান সম্পাদক পদত অজিৎ প্ৰসাদ শৰ্মা, দেৱজিৎ বৰা আৰু ড০ সঞ্জীৱ কুমাৰ শৰ্মাই প্ৰতিদ্বন্দ্বিতা কৰিছে। এইবাৰ মুঠ ৮৪৯ খন জিলা আৰু শাখাই ভোটদানৰ অধিকাৰ লাভ কৰিছে। ৰাজ্যৰ বিভিন্ন স্থানৰ শাখাসমূহৰ লগতে দিল্লী, মুম্বাই, কলকাতা, আহমেদাবাদ আদিত থকা সভাৰ শাখাসমূহেও ইতিমধ্যে ভোটদান কৰিছে বুলি সাহিত্য সভাৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

চৰাইদেউ জিলাৰ সাপেখাটী ১ নম্বৰ কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়াৰ কাৰ্যালয় ভৱনটো কালি উদ্বোধন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ আৰু জিলাখনৰ আয়ুক্ত ডাঃ নেহা যাদৱ উপস্থিত থাকে। অনুষ্ঠানত বিধায়ক কোঁৱৰে ৰাইজক কৃষি কাৰ্যৰ প্ৰতি অধিক মনোযোগ দিবলৈ আহ্বান জনোৱাৰ লগতে বিভাগীয় আঁচনি আৰু সা-সুবিধাসমূহ গ্ৰহণৰ পৰামৰ্শ দিয়ে।

০০০০০০

২০২১ চনত সংঘটিত এটা হত্যাৰ আক্ৰমণৰ ঘটনা সম্পৰ্কত হাইলাকান্দি জিলা আৰু ছেছন আদালতে কালি ফাৰুক আহমেদ বৰভূঞা নামৰ এজন লোকক ১০ বছৰ সশ্ৰম কাৰাদণ্ড আৰু ৫ হাজাৰ টকাৰ জৰিমনা বিহিছে। দক্ষিণ হাইলাকান্দিৰ ৰামনাথপুৰ থানাৰ অন্তৰ্গত জামিৰা গাঁৱত ২০২১ চনৰ ২৪ অক্টোবৰত অভিযুক্ত

ফাৰুকে তেওঁৰ জ্যেষ্ঠ ভাতৃ নুৰ আহমেদ বৰভূঞাক পাৰিবাৰিক কলহৰ বাবে চোকা দাৰে ঘপিয়াই হত্যা কৰাৰ চেষ্টা চলায়। এই আক্ৰমণত নুৰ আহমেদ গুৰুতৰভাৱে আহত হয়। ন্যায়াধীশ ছৈয়দ ইমদাদুৰ ৰহমানে বাদী-বিবাদী পক্ষৰ জবানবন্দী, সাক্ষ্য প্ৰমাণ আৰু দুয়োপক্ষৰ অধিবক্তাৰ যুক্তি শুনাৰ পাছত অভিযুক্ত ফাৰুকক দোষী সাব্যস্ত কৰি এই শাস্তি ঘোষণা কৰে।

০০০০০০

স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ড০ এম আৰিজ আহমেদে কালি হাটশিঙিমাৰীত জিলা চিকিৎসালয়খন পৰিদৰ্শন কৰে আৰু তৃতীয় স্বাস্থ্য সেৱা উৎসৱৰ মূল্যায়ন কৰে। তেওঁ ৰোগীসকলৰ সৈতেও মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে জিলাখন ভ্ৰমণলৈ যোৱা অতিৰিক্ত মুখ্য সচিব আহমেদে তেওঁৰ তিনিদিনীয়া ভ্ৰমণ কালত জিলাখনৰ কেইবাটাও স্বাস্থ্য সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু উপ-স্বাস্থ্য কেন্দ্ৰও পৰিদৰ্শন কৰিব আৰু বিভিন্ন চৰকাৰী আঁচনিৰ সা-সুবিধাসমূহ সধাৰণ ৰাইজে পাইছে নে নাই সেই বিষয়ে উমান ল'ব বুলি আমাৰ হাটশিঙিমাৰীৰ সংবাদদাতাই জনাইছে।

০০০০০০

ৰাষ্ট্ৰীয় স্কুল গেমছৰ নেটবলৰ বাছনি প্ৰক্ৰিয়াত ৬৮ সংখ্যক স্কুল নেচনেল গেমছ নেটবলত অংশগ্ৰহণৰ বাবে ১৪, ১৭ আৰু ১৯ বছৰ অনূৰ্ধৰ ল'ৰা-ছোৱালীৰ শাখাত গোলাঘাট জিলাৰ কেইবাজনো খেলুৱৈ নিৰ্বাচিত হৈছে। সদৌ অসম নেটবল সন্থাৰ অন্তৰ্গত কেইবাখনো জিলাৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰা ৰাষ্ট্ৰীয় স্কুল নেটবল খেলত গোলাঘাট জিলাৰ হৈ অংশগ্ৰহণ কৰাৰ লগতে গোলাঘাট জিলা নেটবল সন্থাৰ সভাপতি অঞ্জন কুমাৰ বৰা আৰু সম্পাদক ঘনকান্ত গগৈৰ নেতৃত্বত যোৱা ল'ৰা আৰু ছোৱালী দলটোৰ ২১ গৰাকী খেলুৱৈ নিৰ্বাচিত হৈ গোলাঘাট জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। এই বাছনি প্ৰক্ৰিয়া বাক্সা জিলাৰ গোৰেশ্বৰ অনুষ্ঠিত হৈছিল। অসম নেটবল সন্থাৰ সভাপতি আৰু সম্পাদকৰ নেতৃত্বত নিৰ্বাচিত দল দুটা অহা ৮ ডিচেম্বৰত গুৱাহাটীৰ পৰা পাঞ্জাবৰ লুধিয়ানালৈ খেলিবলৈ যাব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে পৰহিলৈ দিনৰ ১০ বজাৰ পৰা বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীৰ কম্পিউটাৰ বিষয়ক সম্যক জ্ঞান, SOCIAL MEDIA অৰ্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পৰ্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্ৰাৰ্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। এই বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে আকাশবাণীৰ জাননী ফলক চাব পাৰে।

০০০০০০

সমাপ্ত